জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৫/২০২২

**জনজাতীয় আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক**

**নতুন প্ৰজন্মই যাতে জনজাতীয় আৰু খিলঞ্জীয়া প্ৰজ্ঞাৰে সমৃদ্ধ সমলসমূহ অধ্যয়নৰ প্ৰতি আকৰ্ষিত হয় তাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ১৪ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ উপস্থিতিত ৰাজ্যখনৰ ৩০ টা জনজাতি আৰু খিলঞ্জীয়া জনগোষ্ঠীৰ প্ৰতিনিধিবৰ্গৰ সৈতে মিলিত হৈ নৃগোষ্ঠীয়ভাৱে খিলঞ্জীয়া আৰু জনজাতীয় সম্প্ৰদায়সমূহৰ বিশ্বাস তথা সংস্কৃতিৰ সংৰক্ষণ আৰু সংৱৰ্দ্ধনৰ বিভিন্ন দিশসমূহ আলোচনা কৰে।

অনুষ্ঠানত প্ৰতিনিধিবৰ্গক সম্বোধি মুখ্যমন্ত্ৰীয়ে কয় যে বিভিন্ন খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ লোকৰ বসতিৰে অসম এখন ক্ষুদ্ৰ জগত সদৃশ। কিন্তু বিভিন্ন কাৰকৰ প্ৰভাৱত নতুন প্ৰজন্মই এই প্ৰাচীন বিশ্বাস আৰু আচাৰসমূহৰ সৈতে ক্ৰমাৎ সম্পৰ্ক হেৰুৱাই পেলাব ধৰিছে। তেওঁ কয় যে খিলঞ্জীয়া জনজাতীয় বিশ্বাস আৰু সংস্কৃতিত নিহিত হৈ থকা প্ৰাচীন প্ৰজ্ঞাৰ গুৰুত্ব উপলব্ধি কৰিয়েই বৰ্তমানৰ ৰাজ্য চৰকাৰে নৃগোষ্ঠীয়ভাৱে খিলঞ্জীয়া আৰু জনজাতীয় সম্প্ৰদায়সমূহৰ বিশ্বাস তথা সংস্কৃতিৰ সংৰক্ষণ আৰু সংৱৰ্দ্ধনৰ অৰ্থে এটি বিভাগ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে এই বিভাগটোৱে ৰাজ্যখনত জনবিন্যাস তথা ইয়াৰ খিলঞ্জীয়া আৰু জনজাতীয় সংস্কৃতি সমৃদ্ধ কৰাৰ অৰ্থে ৰাজ্য চৰকাৰৰ বাবে এক কৰ্মসূচী যুগুত কৰিব। নতুনকৈ গঠন কৰা এই বিভাগটোৱে বিভিন্ন গৱেষণামূলক কাম-কাজ হাতত লোৱাৰ লগতে প্ৰাচীন বিশ্বাস আৰু সংস্কৃতিত অন্তৰ্নিহিত হৈ থকা গুণসমূহ নতুন প্ৰজন্মই যাতে উপলব্ধি কৰিব পাৰে সেই দিশত সহায় কৰাৰ এক শক্তিশালী আধাৰ হিচাপে কাম কৰিব। খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ কামত নিয়োজিত হৈ থকা সংগঠনসমূহক এই বিভাগটোত পঞ্জীয়নৰ বাবে আগবাঢ়ি আহিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যাতে ৰাজ্য চৰকাৰে এনে সংগঠনসমূহলৈ সহায়-সহযোগিতা আগবঢ়াব পাৰে। তেওঁ লগতে কয় যে যিসমূহ জনজাতিয়ে এতিয়াও তেওঁলোকৰ প্ৰাচীন ধৰ্ম, বিশ্বাস আৰু সংস্কৃতি সংৰক্ষণৰ লগতে পালন কৰি আহিছে তেনে জনজাতীয় সম্প্ৰদায়সমূহক এটা পোৰ্টেলৰ জৰিয়তে চৰকাৰৰ সহায়-সহযোগিতাৰ বাবে আবেদন কৰিব পাৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে খিলঞ্জীয়া আৰু জনগোষ্ঠীয় প্ৰজ্ঞাৰে অসম এখন সমৃদ্ধ অঞ্চল। নতুন প্ৰজন্মই যাতে এই দিশত অধ্যয়নৰ প্ৰতি আকৰ্ষিত হয় তাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব যাতে ইয়াৰ দ্বাৰা সমগ্ৰ সমাজখনে লাভান্বিত হয়। খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাসৰ পৃষ্ঠপোষকতাৰ অৰ্থে আগন্তুক সময়ত ৰাজ্য চৰকাৰে ইয়াৰ বৈশিষ্ট্যৰাজি, কলা-সংস্কৃতি আদি সামৰি এখনি বৃহৎ প্ৰদৰ্শনীৰো আয়োজন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত মন্তব্য কৰে।

**সুঃদঃ / নিঃকুঃদাঃ**
**১৪-০৩-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in